# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 24-08-2024

**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২০ খন বিচনাযুক্ত এটা নতুন আই চি ইউ প্ৰকল্প মুকলি।

২। ৰাজ্যজুৰি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি পৰম্পৰাগত ৰীতি নীতিৰে উদ্‌যাপন। নামঘৰ আৰু সত্ৰসমূহত শৰাই, বন্তি আগবঢ়াই ভক্তৰ প্ৰাৰ্থনা।

৩। নেপালত সংঘটিত বাছ দুৰ্ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শোক প্ৰকাশ। নিহত প্ৰতিজন ভাৰতীয় লোকৰ পৰিয়াললৈ দুই লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ ঘোষণা।

৪। ভাৰতীয় ক্ৰিকেট দলৰ আগশাৰীৰ বেটছ্‌মেন শিখৰ ধাৱানৰ আন্তৰ্জাতিক আৰু ঘৰুৱা ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা।

*আৰু*

৫। বৰপেটাত অনুষ্ঠিত জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত আজি বৰপেটা জিলা দলৰ চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৩ দিনীয়া বৰাক উপত্যকা ভ্ৰমণৰ শেষৰ দিনা আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদৰোগীসকলৰ বাবে ২০ খন বিচনাযুক্ত এটা নতুন আই চি ইউ প্ৰকল্প মুকলি কৰে। চিকিৎসা মহাবিদ্যালয়খনত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে নতুন আই চি ইউ প্ৰকল্পটো মুকলি কৰাৰ লগতে মহাবিদ্যালয়খনত নিৰ্মাণ হৈ থকা ৫৩৫ খন বিচনাযুক্ত জৰুৰীকালীন সেৱা ভৱনটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। নতুনকৈ নিৰ্মাণ কৰা এই ভৱনটো অহা বছৰ নৱেম্বৰ মাহত সম্পূৰ্ণ হব বুলি আশা প্ৰকাশ কৰা হৈছে। এই ভৱনটোৰ নিৰ্মাণ সম্পূৰ্ণ হলে মহাবিদ্যালয়খনৰ বিচনাৰ সংখ্যা বৰ্তমানৰ ১৩৫০ খনৰ পৰা ১৮৮৫ খনলৈ বৃদ্ধি পাব। এই নতুন ভৱনটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছতে পুনৰ এহেজাৰখন বিচনাযুক্ত এখন চিকিৎসালয় নিৰ্মাণ কৰা হ'ব। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ আন্তঃগাঠনি উন্নয়নৰ বাবে এটা মাষ্টাৰ প্লেন গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কাছাৰ কেঞ্চাৰ হাস্পাতাললৈ মেচিন ক্ৰয়ৰ বাবে ১২ কোটি টকা আগবঢ়ায়।

ইফালে, হাইলাকান্দি জিলাত এখন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে প্ৰচেষ্টা অব্যাহত আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শিলচৰ আৰু ইয়াৰ দাতিকাষৰীয়া অঞ্চলসমূহত সমাগত দুৰ্গা পূজাৰ আগত যাতায়ত সেৱা উন্নত কৰিবৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ হাতত লৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই অনুসৰি শিলচৰ চহৰৰ ১৩ টা ৰাস্তা পুনৰ নিৰ্মাণৰ বাবে ১৪ কোটি টকা অনুমোদন জনোৱা হৈছে। ইপিনে, শিলচৰ চহৰত এখন দুখলপীয়া উৰণ সেতুৰ লগতে ৭ কিলোমিটাৰ

দৈৰ্ঘ্যৰ এটা ওখ ৰাস্তা নিৰ্মাণ কৰিবৰ বাবে ১২০০ কোটি টকাৰ এটা প্ৰকল্প হাতত লোৱা হৈছে। এই প্ৰকল্পটোৰ কাম দুটা পৰ্যায়ত সম্পন্ন কৰা হ'ব।

লগতে অঞ্চলটোত কাম চলি থকা জল যোগান আঁচনিসমূহৰ বিষয়েও শ্ৰীশৰ্মাই বুজ লয়। শিৰবাৰীৰ দুবযোৱা অঞ্চলত নতুন প্ৰযুক্তিৰ ব্যৱহাৰেৰে সমস্যা সমাধান কৰিবৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ৭০ কোটি টকা অনুমোদন জনায়। প্ৰকল্পটোৰ কাম অহা ১০ দিনৰ ভিতৰত আৰম্ভ হব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বৰাক উপত্যকাৰ উন্নয়ন চৰকাৰৰ বাবে প্ৰাধান্যৰ বিষয় আৰু ইয়াৰ বাবে অনাগত দিনত কাম কৰি যাব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই মন্তব্য কৰে।

মুখ্যমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ সময়ছোৱাত কাছাৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক কৌশিক ৰায়, শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ভাস্কৰ গুপ্তাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে সংগ দিয়ে।

00000

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি আজি ৰাজ্যজুৰি পৰম্পৰাগত উলাহ-উদ্দীপনাৰে পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ ৰাজ্যৰ ভকতবৃন্দই নামঘৰ আৰু সত্ৰসমূহত শৰাই, বন্তি আগবঢ়াই প্ৰাৰ্থনা জনায়। সত্ৰ, নামঘৰসমূহ পুৱাৰে পৰা ভক্ত ৰাইজৰ নাম-প্ৰসংগ আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে।

মাধৱদেৱ গুৰুজনাই স্থাপন কৰা ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত এই তিথি কীৰ্তন মহোৎসৱ হিচাপে ১০ দিনীয়াকৈ উদযাপন কৰা হয়। বৰপেটাৰ সংবাদদাতাই জনোৱা অনুসৰি ১০ দিনৰ মূৰত আজি অনুষ্ঠিত মূল কাৰ্যসূচীৰ অংশ হিচাপে পুৱা প্ৰসংগৰ লগতে সত্ৰৰ গায়ন-বায়নে ঘোষা কীৰ্তন, ব্যাস কীৰ্তন আৰু নাম বিৰতিবিহীনভাৱে পৰিৱেশন কৰে। মহাপুৰুষজনাই স্থাপন কৰা সুন্দৰীদিয়া, বাৰাদি আৰু গনককুচি সত্ৰৰ লগতে শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা শিলপৰা ভিঠি থান সত্ৰত আৰু শংকৰদেৱ থান সত্ৰতো কীৰ্তন মহোৎসৱ পালন কৰা হয়। মহোৎসৱ উপলক্ষে বৰপেটা সত্ৰৰ লগতে আন আন সত্ৰতো ভালেসংখ্যক লোকৰ সমাগমেৰে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। উল্লেখযোগ্য যে গুৰুজনাৰ মহাপ্ৰয়াণৰ পাছত তেওঁৰ ভকতসকলে ১০ দিনীয়াকৈ যি কাৰ্যসূচী পালন কৰিছিল তাৰ আৰ্হিতে বৰপেটা সত্ৰত কীৰ্তন মহোৎসৱ পালন কৰি অহা হৈছে।

মহাপুৰুষজনাৰ জন্মস্থান লেটেকুপুখৰীতো আজি দিনজোৱা কাৰ্যসূচীৰে তিৰোভাৱ তিথি উদযাপন কৰা হয়। ঊষা কীৰ্তনেৰে আৰম্ভ হোৱা দিনটোৰ কাৰ্যসূচীত গছপুলি ৰোপণ, গুৰুবাদ্য প্ৰদৰ্শন, নাম-প্ৰসংগ আদি কাৰ্যসূচী গ্ৰহণ কৰা হয়।

স্বেচ্ছাসেৱী সংগঠন **সহায়**ৰ উদ্যোগত আৰু মৰিগাঁও সনাতনী ৰাইজৰ সহযোগত গুৰুজনাৰ তিৰোভাৱ তিথি উপলক্ষে মৰিগাঁও নগৰত এটি শোভাযাত্ৰা উলিওৱা হয়।

ধুবুৰীৰ মধুপুৰ সত্ৰতো দিনজোৱা কাৰ্যসূচীৰে শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়। পুৱা তাল কোবোৱা প্ৰসংগ, মঞ্জিৰা নাম আদি বিভিন্ন পৰম্পৰাগত অনুষ্ঠানৰ আয়োজন কৰা হয়।

যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত আজি দিনজোৱা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়।

মাজুলীৰ ৩৫ খন সত্ৰ আৰু প্ৰায় ২০০টা নামঘৰো আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে পুৱাৰে পৰা নাম-কীৰ্তন আৰু প্ৰসংগৰে মুখৰিত হৈ উঠিছে। ঐতিহ্যমণ্ডিত কমলাবাৰী সত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাৱ তিথি আয়োজন কৰা হয়। ইফালে নামনি মাজুলীৰ এলেঙী সত্ৰতো পুৱাৰে পৰা আইসকলে প্ৰসংগ আৰু গোপিনী কীৰ্তনেৰে সত্ৰখনৰ চৌপাশ মুখৰিত কৰি তোলে।

গোলাঘাটৰ শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰতো গুৰু বন্দনাৰে পৱিত্ৰ তিৰোভাৱ তিথি মুখৰিত হৈ পৰে। পৱিত্ৰ ভাদ মাহৰ প্ৰথমটো তিথি উপলক্ষে বিভিন্ন প্ৰান্তৰ পৰা নামঘৰত অগণন ভকত ৰাইজৰ সমাগম ঘটে।

ইপিনে ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে পুৱাৰ ভাগতে বজালীৰ গোবিন্দভৱন গীতা সত্ৰত শৰাই আগবঢ়াই নাম-প্ৰসংগত অংশগ্ৰহণ কৰে। নিজৰ লগতে ৰাইজৰ মংগল কামনা কৰি মন্ত্ৰীগৰাকীয়ে ভকত-আই মাতৃসকলৰ সৈতে মত বিনিময় কৰি আশীৰ্বাদ লয়। মহাপুৰুষ গুৰুজনাই অসমৰ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক দিশত আগবঢ়োৱা অসাধাৰণ অৱদানে ৰাজ্যৰ জাতীয় জীৱনক এটা নতুন মাত্ৰা প্ৰদান কৰে বুলি উল্লেখ কৰি শ্ৰী দাসে তেওঁৰ জীৱন-দৰ্শনেৰে অনুপ্ৰাণিত হৈ উঠি অহা প্ৰজন্মই ঐক্যবদ্ধ আৰু সুসংগঠিত সমাজ গঢ়াৰ ক্ষেত্ৰত দায়বদ্ধতাৰে কামত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালত সংঘটিত বাছ দুৰ্ঘটনাত নিহত ভাৰতীয় লোকসকলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। নেপালত থকা ভাৰতীয় দূতাৱাসে দুৰ্ঘটনাত আক্ৰান্ত লোকসকলক সকলো ধৰণৰ সহায় আগবঢ়াইছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি দুৰ্ঘটনাত নিহত প্ৰতিজন লোকৰ পৰিয়াললৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে নেপালৰ পুখাৰাৰ পৰা কাঠমাণ্ডুলৈ পৰ্যটক কঢ়িয়াই নিয়া এখন বাছ মাৰ্ছিয়াংদি নদীত পৰি যোৱাৰ ফলত ২৭ জন লোকৰ প্ৰাণহানি হোৱাটো নিশ্চিত হৈছে।

ooooo

বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ গুৱাহাটী মাণ্ডলিক কাৰ্যালয়ে অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদত সংঘটিত দুৰ্নীতিৰ গোচৰত ঠিকাদাৰ প্ৰিয়াংশু বৈৰাগীৰ বেংক একাউণ্টৰ ধন আৰু ফিক্সড ডিপোজিট জব্দ কৰিছে। পূৰ্বশ্ৰী প্ৰিণ্টিং হাউছ নামৰ প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী প্ৰিয়াংশু বৈৰাগীৰ ৩৪ কোটি ৩ লাখ টকা ধন আৰু ফিক্সড ডিপোজিট জব্দ কৰা হয়। অবৈধ ধনৰ লেনদেন প্ৰতিৰোধ আইনৰ অধীনত এই ধন জব্দ কৰাৰ লগতে সঞ্চাকালয়ে বিভিন্ন আপত্তিজনক সামগ্ৰী আৰু নথিপত্ৰও জব্দ কৰে। উল্লেখযোগ্য যে অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদে ২০১৩ চনৰ পৰা ২০১৬ চনলৈ পূৰ্বশ্ৰী প্ৰিণ্টিং হাউছ নামৰ প্ৰতিষ্ঠানটোক অনিয়মেৰে কেইবাটাও কোটি টকাৰ ঠিকা মোকলাই দিছিল। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে এই সন্দৰ্ভত পূৰ্বে সমগ্ৰ ঘটনাৰ তদন্ত কৰি তদানীন্তন শ্ৰম আয়ুক্ত চৌহান দলে, পৰিষদৰ অধ্যক্ষ গৌতম বৰুৱা, প্ৰশাসনিক সহায়ক নগেন্দ্ৰ নাথ চৌধুৰী আৰু ঠিকাদাৰ প্ৰিয়াংশু বৈৰাগীৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰে। এই গোচৰক আধাৰ হিচাপে লৈ বিধি বলৱৎকাৰী সঞ্চালকালয় তদন্ত আগবঢ়াই নিয়ে। সঞ্চালকালয়ে তদন্তত বৈৰাগীয়ে জালিয়াতিৰে চৰকাৰী ধন সৰকাই নিয়াৰ সবিশেষ তথ্য লাভ কৰে।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা- চি বি আইয়ে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ সন্দিপ ঘোষকে ধৰি ৭ জন লোকক পʼলিগ্ৰাফ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। এই ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱা একমাত্ৰ অভিযুক্ত সঞ্জয় ৰায়কে ধৰি ঘটনাটোৰ পূৰ্বে ভুক্তভোগীগৰাকীৰ সৈতে থকা আন চাৰিজন চিকিৎসক আৰু কলকাতা আৰক্ষীৰ দুজন স্বেচ্ছাসেৱকৰো পʼলিগ্ৰাফ পৰীক্ষা চলাই থকা হৈছে। ছিয়ালদহৰ আদালতে চি বি আইক পʼলিগ্ৰাফ পৰীক্ষাৰ বাবে অনুমতি প্ৰদান কৰে। এইখন আদালতেই সঞ্জয় ৰায়ক কালি ১৪ দিনৰ বাবে জেʼল হাজোতলৈ প্ৰেৰণ কৰে। ইপিনে কলকাতা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে কালি বিশেষ তদন্তকাৰী গোটে ঘটনাটোৰ সৈতে জড়িত সকলো তথ্য পাতি চি বি আইক অৰ্পণ কৰিছে।

০০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ ৬ টা গুৰুত্বপূৰ্ণ ভৱনে নেট জিৰো এনাৰ্জি বিল্ডিং হিচাপে উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ অধীনত শক্তি দক্ষতা ব্যুৰোৱে শূন্য কাৰ্বন নিৰ্গমনৰ সফলতা অৰ্জন কৰাৰ বাবে উত্তৰ পূৰ সীমান্ত ৰেʼলৱেৰ ভৱনকেইটাক এই মৰ্যদাপূৰ্ণ **শূন্য লেবেল** সন্মান প্ৰদান কৰিছে। উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই জানিবলৈ দিয়া অনুসৰি ভাৰতীয় ৰেʼলৱেৰ ২০৩০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমন অভিযানৰ বাবে অহৰহ কাম কৰি আছে। এই ক্ষেত্ৰত উত্তৰ পূৰ সীমান্ত ৰেʼলৱেইও প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হʼব অনুষ্ঠানটোৰ ১১৩ সংখ্যক খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে এয়াৰ নিউজ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হʼব। এয়াৰ নিউজ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হʼব। আকাশবাণীয়ে অনুষ্ঠানটোৰ পাছতেই আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

যোৰহাটৰ বানাক্ৰান্ত অঞ্চলত আজি ধৰিত্ৰী মহিলা সংগঠনৰ উদ্যোগত ছাত্ৰী-ছাত্ৰীক লেখন সামগ্ৰী বিতৰণ কৰা হয়। এই অনুসৰি যোৰহাট জিলাৰ বাৰপাইক গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কাগজ, কলম, অভিধান, সাধাৰণ জ্ঞানৰ কিতাপ ইত্যাদি বিতৰণ কৰা হয়। সমাজকৰ্মী জগন্নাথ অগ্নি বৰাৰ পদক্ষেপত বানাক্ৰান্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ বাবে সংগঠনটোৱে এই পদক্ষেপ গ্ৰহণ কৰে। এই অনুষ্ঠানত কেইবাগৰাকী সমাজকৰ্মী, বিশিষ্ট ব্যক্তিৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আজি ডিফু মেডিকেল কলেজ হাস্পতালত এটা আৰক্ষী চকী আনুষ্ঠানিকভাৱে মুকলি কৰে। মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে এই নতুন আৰক্ষী চকীখনৰ জৰিয়তে মহাবিদ্যালয়খনৰ নিৰাপত্তাৰ দিশটো অধিক উন্নত হʼব বুলি আশা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰসিং টিছʼ, জিলা আয়ুক্ত নিৰলা ফাংচপী, চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বৰপেটাত অনুষ্ঠিত জে কে বৰুৱা আন্তঃজিলা ক্রিকেট প্রতিযোগিতাত আজি বৰপেটা জিলা দলে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। বৰপেটা জিলা ক্রিকেট সন্থাৰ খেলপথাৰত অনুষ্ঠিত চূড়ান্ত খেলত বৰপেটা দলে অসম ক্রিকেট সন্থাৰ সভাপতি একাদশক ১২০ ৰাণত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি বৰপেটা জিলা দলে ৫০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ২৪৬ ৰাণ কৰে। প্রত্যুত্তৰত সভাপতি একাদশ দলে ২৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২৩ ৰাণহে কৰিবলৈ সমৰ্থ হয়। সভাপতি একাদশৰ দ্যুতিময় নাথক প্লেয়াৰ অৱ দ্যা টুৰ্ণামেণ্ট হিচাপে ঘোষণা কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্রচাৰ কৰিবলগীয়া দৃষ্টিপাত অনুষ্ঠানত অসমৰ ঔদ্যোগিক খণ্ডৰ বিষয়ে আলোচনা কৰা হ'ব। এই অনুষ্ঠানত ঔদ্যোগিক আৰু  বাণিজ্য বিভাগৰ সচিব ড° লক্ষ্মনন এছ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০

যোৰহাট জিলাৰ পথ নিৰাপত্তা সম্পৰ্কীয় এক বিশেষ জনসজাগতা অনুষ্ঠান আজি সম্পন্ন হয়। গৌৰীকিৰণ ফাউণ্ডেচনৰ উদ্যোগত, যোৰহাট জিলা প্ৰশাসন আৰু আইন সেৱা প্ৰাধিকৰণৰ সহযোগত অনুষ্ঠিত সভাখনৰ বন্তি প্ৰজ্বলনৰ পাছতে জি কে ফাউণ্ডেশ্যনৰ হৈ জয়ন্ত কুমাৰ বৰঠাকুৰে আদৰণি ভাষণ আগবঢ়ায়। পাৰ্থিৱজ্যোতি শইকীয়াই অনুষ্ঠানত মূল ভাষণ আগবঢ়োৱা অনুষ্ঠানত যোৰহাট জিলা উপায়ুক্ত পুলক মহন্তই "পথ সুৰক্ষাৰ ওপৰত প্ৰশাসনিক পদক্ষেপ" ৰ ওপৰত মন্তব্য প্ৰকাশ কৰে। একে অনুষ্ঠানতে যোৰহাট আৰু জিলা আইন সেৱা প্ৰাধিকৰণৰ জিলা ন্যায়াধীশ প্ৰাঞ্জল দাসে 'পথ সুৰক্ষা' ৰ ওপৰত মন্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষকৰ লগতে NHIDCL যোৰহাটৰ জেনেৰেল মেনেজাৰ দেৱেন্দ্ৰ কুমাৰ, ড°  বিজয়লক্ষ্মী বৰপুজাৰী, যোৰহাটৰ জিলা পৰিবহণ বিষয়া উৎপল বৰুৱাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে। উক্ত অনুষ্ঠানত সমল ব্যক্তি সকলক অসমীয়াৰ স্বাভিমান এখনি গামোচা, এখনি সঁফুৰা আৰু এটি অৰ্কিড পুলিৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০০০

ভাৰতীয় ক্রিকেট দলৰ আগশাৰীৰ বেটছমেন শিখৰ ধাৱানে সকলো ধৰণৰ আন্তৰ্জাতিক আৰু ঘৰুৱা ক্রিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে। সামাজিক মাধ্যমত নিজৰ অৱসৰৰ এটা আৱেগিক ভিডিঅ' প্ৰকাশ কৰি ৩৮ বছৰীয়া শ্ৰী ধাৱানে খেলুৱৈ জীৱনত তেওঁক বিভিন্ন প্ৰকাৰে সহায় কৰা পৰিয়ালৰ লোকসকলৰ লগতে প্রশিক্ষক আৰু দলৰ সদস্যসকলক ধন্যবাদ জনায়। শ্ৰী ধাৱানে তেওঁৰ কেৰিয়াৰত ১৬৭ খন এদিনীয়া আন্তৰ্জাতিক মেচত ছহেজাৰ ৭৯৩ ৰান কৰিছে। ইয়াৰে ১৭টা শতক আৰু ৩৯টা অৰ্ধশতক। ইপিনে টি-২০ শৃংখলাত বাওঁহতীয়া বেটছমেনগৰাকীয়ে ৬৮ খন মেচত এহেজাৰ ৭৫৯ ৰান সংগ্ৰহ কৰিছে।

০০০০০

তিনিচুকীয়া জিলাৰ ডিব্ৰু নৈৰ ডলফিন পইণ্টত আজি দুগৰাকী ছাত্ৰৰ সলিল সমাধি ঘটে। উল্লেখযোগ্য যে, গুইজান হিন্দী বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ ৫ গৰাকী ছাত্ৰ ঘাটটোত ফুৰিবলৈ গৈছিল। ইয়াৰে দুজন ছাত্ৰৰ অসাৱধানবসতঃ পানীত পৰি মৃত্যু হয়। মৃত ছাত্ৰ দুজন গলু শ্বাহ আৰু গৌৰৱ শ্বাহ বুলি চিনাক্ত কৰা হৈছে।

00000

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপনৰ বাবে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই অহা ২৯ আগষ্টত ৰাষ্ট্ৰব্যাপী ক্ৰীড়া দিৱসত অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে। শ্ৰী মন্দাভিয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰতক এখন সুস্থ আৰু সৱল ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সপোনক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীৰ ফিট ইণ্ডিয়া আন্দোলনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে সুস্বাস্থ্য বজাই ৰখা আৰু সক্ৰিয় হৈ থকাটো প্ৰতিজন ভাৰতীয়ৰ দায়িত্ব বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস কেৱল ক্ৰীড়াবিদসকলক সন্মান জনোৱাৰ সুযোগেই নহয় ক্ৰীড়াই আমাক কেনেদৰে সুস্থ জীৱন বৰ্তাই ৰখাত সহায় কৰিব পাৰে তাকে সোঁৱৰায়।

00000

সমাপ্ত